# Meeting of Bangladesh, Bhutan, India and Nepal Motor Vehicles Agreement (BBIN MVA)

March 08, 2022

---

# বাংলাদেশ, ভূটান, ভাৰত আৰু নেপাল মটৰ বাহন চুক্তিৰ (বিবিআইএন এমভিএ) বৈঠক

মাৰ্চ 08, 2022

1. বিবিআইএন এমবিএ ওপৰত ভাৰত, বাংলাদেশ, আৰু নেপালৰ মাজত এখন বৈঠক অনুষ্ঠিত হয় মাৰ্চ 7-8, 2022 তাৰিখে। ভূটানে বৈঠকখনত দৰ্শক হিচাপে অংশগ্ৰহণ কৰে। ভাৰতীয় প্ৰতিনিধি দলৰ নেতৃত্ব কৰে বিদেশ বিষয়ক মন্ত্ৰালয়ৰ যুটীয়া সচিব, মিছেছ স্মিতা পান্টে। বাংলাদেশৰ প্ৰতিনিধি দলৰ নেতৃত্ব কৰে বিদেশ বিষয়ক মন্ত্ৰালয়ৰ, প্ৰধান অধিকৰ্তা (দক্ষিণ এছিয়া), মিঃ এ টি এম ৰকিবুল হ'কে। নেপালী প্ৰতিনিধি দলৰ নেতৃত্বকৰে ভৌতিক আন্তঃগাথঁনি আৰু পৰিবহন মন্ত্ৰালয়ৰ যুটীয়া সচিব, মিঃ কেশৱ কুমাৰ শৰ্মাই। ভূটানী দৰ্শক দলৰ নেতৃত্ব কৰে নতুন দিল্লীৰ ৰাজকীয় ভূটানী দূতাবাসৰ প্ৰথম সচিব, মিঃ থিনলে ন'ৰ্বোৱে।

2. বৈঠকখন অনুষ্ঠিত কৰা হৈছিল যাত্ৰী আৰু সামগ্ৰী নীতি আলোচনা কৰিবলৈ যি জুন 15, 2015 চনত স্বাক্ষৰ হোৱা বিবিআইএন মটৰ বাহন চুক্তি (এমভিএ) কাৰ্যকৰী কৰাৰ বাবে আৱশ্যকীয় বাংলাদেশ, ভূটান, ভাৰত আৰু নেপালৰ মাজত যাত্ৰী, ব্যক্তিগত আৰু সামগ্ৰী বাহন ট্ৰেফিকৰ নিয়ন্ত্ৰণৰ বাবে। এয়া হৈছে গোটটোৰ প্ৰথম বৈঠক ক'ভিড-19 মহামাৰীৰ পিছৰ। পূৰ্বৰ বৈঠকখন ফেব্ৰুৱাৰী 2020 চনত নতুন দিল্লী অনুষ্ঠিত কৰা হৈছিল।

3. বৈঠখনত ভাৰত, বাংলাদেশ আৰু নেপালৰ দ্বাৰা স্বাক্ষৰ কৰিব লগা এখন সক্ৰিয় কৰা বুজাবুজিৰ স্মাৰক পত্ৰ চূড়ান্ত হয়, তিনিওখন দেশৰ দ্বাৰা বিবিআইএন এমভিএ ৰূপায়ণৰ বাএ, ভূটান দ্বাৰা এমভিএ অনুসমৰ্থন বাকী ৰাখি। বিবিআইএন এমভিএ ৰূপায়ণৰ বাবে উষ্চতম স্তৰত কৰা প্ৰতিশ্ৰুতিসমূহ স্মৰণ কৰি, প্ৰতিনিধিসকলে নিজৰ ইচ্ছা প্ৰকাশ কৰে বুজাবুজিৰ স্মাৰক পত্ৰখন শীঘ্ৰে স্বাক্ষৰ কৰাৰ প্ৰতি ৰূপায়ণক গতি দিয়াৰ উদ্দেশ্যে।

4. দেশকেইখনে বিবিআইএন এমভিএ দ্ৰুতগতিত কাৰ্যকৰী কৰাৰ গুৰুত্বৰ ওপৰত জোৰ দিয়ে তেওঁলোকৰ মাজত বাধাহীন চলাচল সক্ষম কৰাৰ বাবে বাণিজ্য আৰু মানৱ সংযোগ সাধনৰ উদ্দেশ্যত। যাত্ৰী আৰু সামগ্ৰী নীতি সামৰণি কৰি এমভিএ কাৰ্যকৰী কৰিলে বিবিআইএন দেশসমূহৰ মাজৰ বাণিজ্য আৰু মানৱ সংযোগৰ সম্পূৰ্ণ ক্ষমতা উপলব্ধিত সহায় হ'ব বৰ্ধিত উপ-আঞ্চলিক সহযোগিত সাধন কৰি।

5. প্ৰতিনিধিসকল সন্মত হয় নিৰ্দেষ্ট পদক্ষেপ আৰু সময়সীমাৰ ওপৰত দ্ৰুতগতিত যাত্ৰী আৰু সামগ্ৰী নীতি চূড়ান্ত কৰিবলৈ বিবিআইএন এমভিএ ৰূপায়ণৰ বাবে। এচিয়ান উন্নয়ন বেংকে কাৰিকৰী আৰু তথ্য সমৰ্থন প্ৰদান কৰে বৈঠকখনত।

**নতুন দিল্লী**
**মাৰ্চ 08, 2022**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.